অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং-১৫৮

উত্তৰ দিয়াৰ তাৰিখ- ০৯/০৭/২০২৬

বিষয় ঃ প্ৰস্তাৱিত বিদ্যালয়সমূহত মিচিং ভাষা অন্তৰ্ভুক্তি আৰু শিক্ষক নিযুক্তি সন্দৰ্ভত।

বিধায়ক ঃ শ্ৰীভূবন গাম ঃ

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ শিক্ষা বিভাগে গ্ৰহণ কৰা সিদ্ধান্ত অনুযায়ী বিদ্যালয়সমূহত মিচিং ভাষাৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰি বিষয় শিক্ষক নিযুক্তিৰ বিষয়টো কিমান দূৰ কাৰ্য্যকৰী হৈছে জনাব নেকি ?

(খ) কিমানখন বিদ্যালয়ত মিচিং ভাষাৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ?

(গ) কিমানজন শিক্ষকক এই ক্ষেত্ৰত নিযুক্তি দিয়া হ'ব ?

ঃ **উত্তৰ** ঃ

মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু দেৱে উত্তৰ দিব ঃ

(ক) অসম চৰকাৰৰ অধীসূচনা নং E-229301/52 dated 07/03/2024 ৰ জৰিয়তে মিচিং ভাষাৰ লগতে দেউৰী, ৰাভা, কাৰ্বি, তিৱা আৰু ডি মাছা ভাষাক বুনিয়াদী স্তৰৰ শিক্ষাৰ বাবে মাধ্যম ভাষা হিচাপে প্ৰচলন কৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ ৰ পৰৱৰ্তী সময়ত স্বীকৃত ভাষাসমূহৰ মাধ্যমত শিক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত মিচিং ভাষাৰ মুঠ ২০০ খন বিদ্যালয়ক অনুমোদন দিয়া হৈছে আৰু ১৯২ গৰাকী মিচিং শিক্ষকক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। ইয়াৰ উপৰিও ক-শ্ৰেণী, প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বাবে ভাষা আৰু গণিত পাঠ্যপুথি মিচিং ভাষাত প্ৰস্তুত কৰি প্ৰচলন কৰা হৈছে।

মিচিং ভাষাৰ প্ৰাথমিক বিদ্যালয়সমূহত মিচিং ভাষাত শিক্ষাদানৰ বাবে মিচিং ভাষাৰ শিক্ষক নিযুক্তি বৰ্তমানলৈকে দিয়া হোৱা নাই যদিও মিচিং সাহিত্য সভাই দাখিল কৰা মিচিং ভাষা শিক্ষকৰ প্ৰস্তাৱিত তালিকাখনৰ শিক্ষকক প্ৰশিক্ষণ প্ৰদান কৰাৰ বাবে সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (SCERT), অসমক নিৰ্দেশনা প্ৰেৰণ কৰা হয়। এই নিৰ্দেশনা পোৱাৰ পিছত সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (SCERT), অসমৰ তৰফৰ পৰা ১৯২ গৰাকী মিচিং শিক্ষকক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। পৰৱৰ্তী সময়ত এই মিচিং ভাষাৰ শিক্ষকসকলক মিচিং মাধ্যমৰ বিদ্যালয়লৈ বদলিকৰণ কৰি মিচিং ভাষা শিক্ষাৰ ক্ষেত্ৰত সুফল লাভ কৰিব পৰা যাব।

(খ) বৰ্তমানলৈকে মিচিং ভাষাৰ মুঠ ২০০ খন বিদ্যালয়ক অনুমোদন দিয়া হৈছে আৰু ১৯২ গৰাকী মিচিং শিক্ষকক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

(গ) উত্তৰ 'ক' মৰ্মে।

(তৰাবিহীন প্ৰশ্ন নং-১৫৮ৰ উত্তৰ (www.cmsasla.neva.gov.in) eVidhan (NeVA) পৰ্টেলত উপলব্ধ)

== //==